# প্ৰেছ বিজ্ঞপ্তি

যোৱা ইং **২১/১১/২০১৫** তাৰিখে বাক্‌সা জিলাৰ মুছলপুৰত অসম আৰক্ষী আইন ২০০৭ ৰ অধীনত গঠিত ৰাজ্যিক আৰক্ষী দায়বদ্ধতা আয়োগে, আৰক্ষীৰ দায়বদ্ধতা সম্পৰ্কে এখন সজাগতা সভা অনুষ্ঠিত কৰে । সভাত সভাপতিত্ব কৰে আয়োগৰ মাননীয় অধ্যক্ষ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ শ্ৰী প্ৰণয় কুমাৰ মুছাহাৰীয়ে ।

সভাত বাক্‌সা জিলাৰ **৪০০** জন লোকে অংশগ্ৰহণ কৰে । ইয়াৰ ভিতৰত বাক্‌সা জিলাৰ আৰক্ষীৰ উপৰিও, গণ্য-মান্য ব্যক্তি, বি টি চি ৰ কাৰ্য্যবাহী সদস্য, এম চি এল এ, বেচৰকাৰী সংগঠনৰ বিষয়ববীয়া, ভি. চি. ডি. চি ৰ সভাপতি, থানা সমিতি সমূহৰ বিষয়ববীয়া, ছাত্ৰ সংগঠন সমূহৰ বিষয়ববীয়া মহিলা সমিতিৰ বিষয়ববীয়া, মহিলা সমাজকৰ্মী আদিয়েই প্ৰধান ।

ইয়াৰোপৰি উপস্থিত থকা বিশিস্ট ব্যক্তি সকলৰ ভিতৰত আছিল তামুলপুৰ (বি টি চি) সমষ্টিৰ কাৰ্য্যবাহী সদস্য দেবেন বড়ো, আয়োগৰ মাননীয় অধ্যক্ষ অৱসৰপ্ৰাপ্ত ন্যায়ধীশ শ্ৰী প্ৰণয় কুমাৰ মুছাহাৰী, মাননীয় সদস্য শ্ৰী শিৱব্ৰত কাকতি অৱসৰপ্ৰাপ্ত আই. পি. এছ, আয়োগৰ সচিব শ্ৰী হৰেশ চন্দ্ৰ দত্ত অৱসৰপ্ৰাপ্ত এ.চি.এছ, মুখ্য অনুসন্ধানকাৰী বিষয়া ভক্ত বাহাদুৰ চেত্ৰী অৱসৰপ্ৰাপ্ত এ.পি.এছ, বাকস্া জিলাৰ উপায়ুক্ত শ্ৰী মহানন্দ হাজৰিকা এ চি এছ, এম চি এল এ ঘনশ্যাম দাস আৰু চক্ৰধৰ দাস, বাকস্া জিলাৰ আৰক্ষী অধীক্ষক মুজিবুৰ ৰহমান এ পি এছ, উক্ত জিলাৰ অধীক্ষক (অভিযান) ডাঃ ধনঞ্জয় ধনৱাট আই পি এছ আদিয়েই প্ৰধান ।

<u>মুখ্য বক্তা হিচাপে</u>

ৰাজ্যিক আৰক্ষী দায়বদ্ধতা আয়োগৰ সদস্য শ্ৰী শিৱব্ৰত কাকতিয়ে কয় যে আৰক্ষীৰ সমাজৰ প্ৰতি আইনগত দায়বদ্ধতা আছে । ইয়াৰ উলংঘন কৰিলে সমাজৰ যিকোনো লোকে আনকি আৰক্ষী বিভাগৰ লোকেও আয়োগৰ ওচৰত অভিযোগ দাখিল কৰিব পাৰে । আৰক্ষী আইন মতে

আৰক্ষীৰ **জিম্মাত মৃত্যু,**

**গুৰুতৰ আঘাত,**

**. শ্লীলতা হানি, ধৰ্ষণ বা ধৰ্ষণৰ প্ৰচেষ্টা,**

**অবৈধভাৱে গ্ৰেপ্তাৰ বা আৱদ্ধ,**

**সম্পত্তিৰ আইনগত মালিকীস্বত্ব বা দখলাধিকাৰৰ পৰা বলপূৰ্ব্বক বঞ্চিত,**

কুটিলবুদ্ধিৰ **বলী অথবা বল পূৰ্বৃক ধন দাবী,**

এজাহাৰ পঞ্জীয়ণ নকৰা, আদি আৰক্ষীৰ অসদাচৰণৰ অন্তৰ্ভুক্ত ।

আয়োগে **এনেধৰণৰ অসদাচৰণৰ** অভিযোগ পালে **তদন্তক্ৰমে বিচাৰ কৰি অভিযুক্ত** আৰক্ষীৰ সম্পকৰ্ত ৰায়দান কৰে । অসম আৰক্ষী আইনৰ বিধি ব্যৱস্থা অনুযায়ী আৰক্ষীয়ে সমাজৰ বিঘিনি নোহোৱাকৈ যাতে আচৰণ কৰে তাৰ প্ৰতি দৃষ্টি ৰখাটো আয়োগৰ মূল উদ্দেশ্যে ।